# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চতিয়াৰ স্বাধীনতা সংগ্ৰামীৰ বীৰত্বক বিষয়বস্তু হিচাপে লৈ এখন চলিচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ বিধায়ক পদ্ম হাজৰিকাক আহ্বান জনাইছে। প্ৰয়োজন সাপেক্ষে চৰকাৰে চলচ্চিত্ৰ নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিব বুলিও তেওঁ ঘোষণা কৰে।

বিশ্বনাথ জিলাৰ চতিয়াত প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰৰ উদ্যোগত উদযাপন কৰা চতিয়া দিৱসৰ কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। ড০ শৰ্মাই আজি চতিয়াত ৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এখন ৰাজহুৱা উদ্যানৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চতিয়া থানাত স্বাধীনতা আন্দোলনৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি জনাই ঐতিহাসিক স্বাধীনতা সংগ্ৰামৰ স্মৃতি সোঁৱৰণ কৰে। ইয়াৰ পাছত তেওঁ চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এখন জনসভাক উদ্দেশি দিয়া ভাষণত চতিয়া থানাৰ লগতে স্বাধীনতা সংগ্ৰামৰ সময়ৰ গহপুৰ, ঢেকিয়াজুলিৰ ঘটনা সোঁৱৰি দেশ মাতৃৰ বাবে আত্মবলিদান দিয়া সকললৈ শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০

ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক-২০২৫ আজি ৰাজ্যসভাত গৃহীত হয়। ইয়াৰ লগে লগে বিধেয়কখনে সংসদৰ উভয় সদনৰ অনুমোদন লাভ কৰে। লোকসভাই কালি বিধেয়কখন গ্ৰহণ কৰিছিল। বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে এই বিধেয়খনৰ মাধ্যমেৰে দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এম স্থাপনৰ পথ প্ৰশস্ত কৰিব খোজা হৈছে। তেওঁ কয়, যে বিধেয়কখনৰ বিভিন্ন ব্যৱস্থাৰ অধীনত আই আই এম গুৱাহাটীয়ে ৫৫৫ কোটি টকা লাভ কৰিব আৰু চলিত শিক্ষা বৰ্ষত প্ৰতিষ্ঠানখনত নাম ভৰ্তি আৰম্ভ হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় ব্যৱস্থাপনা সংশোধনী বিধেয়ক-২০২৫ ৰাজ্যসভাত গৃহীত হোৱাটো ৰাজ্যৰ বাবে ঐতিহাসিক দিন বুলি অভিহিত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে বিধেয়কখন গৃহীত হোৱাৰ লগে লগে পলাশবাৰীত ৰাজ্যৰ প্ৰথমখন আই আই এম স্থাপনৰ বাট প্ৰশস্ত হ'ল। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ প্ৰচেষ্টাৰ বাবে এয়া সম্ভৱপৰ হৈ উঠা বুলি মন্তব্য কৰে।

০০০০০

গুৱাহাটীৰ বিশেষ টাডা আদালতে টাডা গোচৰত অভিযুক্ত ৩৮ জন আলফা সদস্যক দোষমুক্ত ঘোষণা কৰিছে। ১৯৯১ চনত দিছপুৰ আৰক্ষী থানাই পঞ্জীয়ন কৰা গোচৰ পৰৱৰ্তী পৰ্য্যায়ত সন্ত্ৰাসবাদ আৰু ধ্বংসাত্মক কাৰ্য্য-কলাপ প্ৰতিৰোধ আইন চমুকৈ টাডাৰ অধীনত ২০০১ চনত পঞ্জীয়ন কৰা হয় আৰু আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা, সেনাধ্যক্ষ পৰেশ বৰুৱাকে ধৰি মুঠ ৪৫ জনৰ বিৰুদ্ধে গোচৰ চলোৱা হয়। সুদীৰ্ঘ ৩৫ বছৰ ধৰি চলা এই গোচৰৰ বিচাৰৰ অন্তত আদালতে ইয়াৰে ৩৮ গৰাকীক দোষমুক্ত বুলি ঘোষণা কৰে। এই দোষমুক্ত ঘোষণা

কৰাসকলৰ ভিতৰত আলফা নেতা- অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া, শশধৰ চৌধুৰী, সুনীল নাথ, কল্পজ্যোতি নেওগ, ৰাজু বৰুৱা, মুনীন নবীচ আৰু অনাদৰ ঠাকুৰীয়াও আছে। অৱশ্যে, স্বাধীনপন্থী আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা আৰু তেওঁৰ তিনিজন সহযোগীক আদালতে পলাতক বুলি ঘোষণা কৰে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে, আৰক্ষীয়ে এই উগ্ৰপন্থী সদস্যসকলৰ বিৰুদ্ধে ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা, বলপূৰ্বক ধন দাবীকে ধৰি কেইবাটাও অভিযোগত অভিযোগনামা দাখিল কৰিছিল। সমস্ত বিচাৰ প্ৰক্ৰিয়াত আদালতে সৰ্বমুঠ ৩৭ জন সাক্ষীৰ ভাষ্য গ্ৰহণ কৰে। বিচাৰাধীন অৱস্থাতে কেইবাগৰাকীও অভিযুক্তৰ মৃত্যুও হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

মন্ত্ৰী অতুল বৰাই আজি জনতা ভৱনত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সীমাৰ সন্দৰ্ভত চলি থকা আলোচনা, সীমান্ত অঞ্চলসমূহত উন্নয়নমূলক পদক্ষেপৰ শেহতীয়া ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ সঞ্চালক শুভলক্ষ্মী ডেকা, বিভাগটোৰ পৰামৰ্শদাতা দশৰথ ডেকাকে ধৰি অন্যান্য কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি কৰুণা ডেকা ৰচিত আৰু গুণাকৰ দেৱ গোস্বামী পৰিচালিত নাট **অগ্নিকাগিৰী** মঞ্চস্থ কৰা হয়। গুৱাহাটীৰ পূৰ্বৰংগ গোষ্ঠীয়ে পৰিৱেশন কৰা এই নাটখনত স্বাধীনতা সংগ্ৰামীৰূপে অগ্নিকাগিৰি ৰায়চৌধুৰীৰ বিপ্লৱী চেতনা আৰু বীৰগাথাক সুন্দৰভাৱে মঞ্চস্থ কৰা হয়। আজিৰ নাট্যানুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, নৃত্যাচাৰ্য্য যতীন গোস্বামীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত কাইলৈ সামৰণি সন্ধিয়া নাট্যকাৰ সপোনজ্যোতি ঠাকুৰ আৰু সীমান্ত ফুকনৰ পৰিচালনাৰে ডেৰগাঁৱৰ নৰ্থ ইষ্ট থিয়েটাৰ একাডেমীয়ে **চন্দ্ৰপ্ৰভা** নাটখন মঞ্চস্থ কৰিব।

০০০০০

বিশ্ব মহ দিৱসৰ লগত সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকামত বিশ্ব মহ দিৱস উপলক্ষে জিলাখনৰ বিভিন্ন প্ৰান্তৰ নৰ্দমাসমূহত দৰিকণা মাছৰ পোণা মেলি দিয়া হয়। এই পোণাবোৰে মহৰ কণী খাই বংশ বৃদ্ধি ৰোধ কৰাত সহায় কৰে বুলি মহকুমা স্বাস্থ্য বিষয়া ডাঃ মণ্টু কুমাৰ শ্যামে প্ৰকাশ কৰে। শ্ৰীভূমি জিলাতো আজি এই উপলক্ষে বিভিন্ন সজাগতা কাৰ্যসূচী আয়োজন কৰা হয়। কৰিমগঞ্জ অসামৰিক চিকিৎসালয় চৌহদত আয়োজিত সজাগতা সভাত জনসাধাৰণক নিজৰ ঘৰৰ চৌপাশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কামৰূপ জিলাৰ ১২ খন খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ অন্তৰ্গত ১২ খন বিদ্যালয়ত বাহকজনিত ৰোগৰ বিৰুদ্ধে সজাগতামূলক ব্যৱস্থা গ্ৰহণ বিষয়ত কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ